# ECHO OF HIS CALL

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | DECEMBER 2022 | No. 6


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

### লূক ১ঃ ২৬ - ৩৩

২৬। পাছে ষষ্ঠ মাহত, গালীলৰ নাচৰৎ নগৰলৈ, দায়ুদৰ বংশৰ যোচেফ নামেৰে এজন মানুহলৈ বাগদান কৰা মৰিয়ম নামেৰে এজনী কন্যাৰ ওচৰলৈ গাব্ৰিয়েল দূতক ঈশ্বৰৰ পৰা পঠোৱা হৈছিল।

২৭। তাতে সেই দূতে তেওঁৰ ওচৰলৈ আহি ক'লে,

২৮। হে মহা অনুগ্ৰহ পোৱা কন্যা, তোমাৰ মঙ্গল হওক; প্ৰভু তোমাৰ লগত আছে।

২৯। কিন্তু এই কথাত তেওঁৰ উগুল-থুগুল লাগি, নিজৰ মনতে চিন্তা কৰিবলৈ ধৰিলে, বোলে ই কেনে মঙ্গলবাদ

৩০। তাতে দূতে তেওঁক ক'লে, হে মৰিয়ম, ভয় নকৰিবা; কিয়নো তুমি ঈশ্বৰৰ পৰা অনুগ্ৰহ পালা।

৩১। আৰু চোৱা, তুমি গৰ্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিবা; আৰু তেওঁৰ নাম যীচু থ'বা।

৩২। তেওঁ মহান হ'ব আৰু সৰ্বোপৰি জনাৰ পুত্ৰ বুলি প্ৰখ্যাত হ'ব আৰু প্ৰভু পৰমেশ্বৰে তেওঁৰ পিতৃ দায়ুদৰ সিংহাসন তেওঁক দিব,

৩৩। আৰু যাকোবৰ বংশৰ ওপৰত তেওঁ সৰ্ব্বদায় ৰাজত্ব কৰিব; তেওঁৰ ৰাজ্যৰ অন্ত কেতিয়াও নহ'ব।



# বৰদিনৰ আশীৰ্বাদ

## BLESSINGS OF CHRISTMAS!

পালক কে, আৰ, ৰাজেচেকাৰান

পৃথিৱীৰ বহুত মানুহে প্ৰথম বৰদিনক হেৰোৱাইছিল। তেওঁলোক ইয়াৰ প্ৰতি অনিশ্চিত আছিল। তেওঁলোকে নাজানিছিল যে এইটো ঘটিছিল; তেওঁলোকে নাজানিছিল যে এইটো হৈছিল। তেওঁলোকে ইয়াৰ গুৰুত্বতাক নাজানিছিল। প্ৰথম বৰদিনত বহুত কম মানুহ আছিল। এতিয়া ২০০০ বছৰৰ পাছতে গোটেই পৃথিৱীয়ে জানে যে বৰদিন কি হয়। পৃথিৱীৰ হাজাৰ হাজাৰ মানুহে গীৰ্জালৈ আৰাধনা কৰিবলৈ যাব আৰু খ্ৰীষ্টৰ জন্মদিনক পালন কৰিব। মৰিয়ম, যোচেফ, মেৰৰখীয়া আৰু জ্ঞানী পাণ্ডিত এই কেইজনহে প্ৰথম বৰদিনৰ বিষয়ে জানিছিল। তেওঁলোকে কিহৰ বাবে প্ৰথম বৰদিন পাইছিল। ঈশ্বৰে যাক মনোনীত কৰে তাক তেওঁ কিদৰে আশীৰ্বাদ কৰে? মই এক চেকেণ্ডৰ বাবে ভাবিব বিচাৰো যে ঈশ্বৰে কাক মনোনীত কৰে আৰু ব্যৱহাৰ কৰে।

বাস্তৱটো এইটোৱেই হয় যে যদি আপুনি মৰিয়ম, যোচেফ, মেৰৰখীয়া আৰু পণ্ডিতৰ দৰে কৰিব, ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰিব, যদি আপুনি এতিয়াই কৰিব, এই বৰদিন আপোনাৰ বাবেও আশীৰ্বাদৰ বৰদিন হ'ব। **কিয়নো যেতিয়া আমি এই বিষয়টিত চাওঁ, যোচেফে সহযোগ কৰিলে,** মেৰৰখীয়া বিলাকে আনন্দ কৰিলে, মৰিয়মে গ্ৰহণ কৰিলে আৰু জ্ঞানী পণ্ডিতাবিলাকে প্ৰণিপাত কৰিলে। আহক আমি এই বিষয়টিক এটা এটাকৈ ধ্যান কৰি চাওঁ।

### ১। যোচেফে ঈশ্বৰৰ পৰিকল্পনাৰ সৈতে সহযোগ কৰিলে !

যীচুখ্ৰীষ্টৰ জন্ম এইদৰে হৈছিল ঃ তেওঁৰ মাক মৰিয়মক যোচেফলৈ বাগদান কৰা হ'লত, তেওঁলোকে একেলগ হোৱাৰ পূৰ্বেই, তেওঁক পবিত্ৰ আত্মাৰ পৰা গৰ্ভৱতী হোৱা পালে। তাতে তেওঁৰ স্বামী যোচেফ এজন ধাৰ্মিক লোক হোৱাত, তেওঁক ৰাজ্যৰ আগত নিন্দাৰ পাত্ৰ



কৰিবলৈ ইচ্ছা নকৰি গুপুতে ত্যাগ কৰিবলৈ মন কৰিলে। কিন্তু চোৱা, তেওঁ এইবোৰ কথা চিন্তা কৰোঁতেই, প্ৰভুৰ দূত এজনে তেওঁক সপোনত দৰ্শন দি ক'লে, "হে দায়ুদৰ সন্তান যোচেফ, তোমাৰ ভাৰ্য্যা মৰিয়মক গ্ৰহণ কৰিবলৈ ভয় নকৰিবা; কিয়নো তেওঁৰ গৰ্ভ পবিত্ৰ আত্মাৰ পৰা

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Rev. Dr. K.R. Rajasekaran
Dr. A. Richard Samuel, M.A., Ph.D.

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**CORE LEADERS**
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


"...যি মিচৰীয়া সকলক আজি তোমালোকে দেখিছা, তেওঁলোকক পুনৰ কেতিয়াও নেদেখিবা"
(যাত্ৰাপুস্তক ১৪ঃ১৩)

প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ পিতৃ ঈশ্বৰৰ অনুগ্ৰহ আৰু শান্তি আপোনালোকত থাকক। আমাৰ প্ৰভু ঈশ্বৰে যিজনে ২০২২ বৰ্ষত যিদৰে আশীৰ্বাদ কৰিলে, ঠিক একেদৰে ২০২৩ নৱবৰ্ষত আপোনালোকৰ লগত থাকিব।

আমি আশা কৰো যে ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আপোনালোক ভালে কুশলে আছে। আমি সদায় আমাৰ প্ৰাৰ্থনা আৰু মিনতিৰ যোগেদি আপোনালোকক ধৰি ৰাখিছো। আহিব লগা দিনবোৰত ঈশ্বৰে নিশ্চয় আপোনালোকৰ জীৱনত মহান কাৰ্য কৰিব। আজি আচৰিত কৰ্মৰ বাবে তেওঁত বিশ্বাস কৰক।



আমাৰ হিন্দী বাসগৃহৰ ছাত্ৰ-ছাত্ৰীসকল

ভাৰতত আৰু ওচৰ-চুবুৰীয়া দেশসমূহত শুভবাৰ্তা নুশুনা ঠাইবিলাকত শুভবাৰ্তা দিবলৈ আমি ব্যস্ত আছো। ইতিমধ্যে আমি আমাৰ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰসকলক ডাঙৰ শস্য চপোৱা কাৰ্য্যৰ বাবে গঢ়ি তুলি আছো। বাইবেল কলেজখনক আগবঢ়াই লৈ যাবৰ বাবে আপোনালোকৰ প্ৰাৰ্থনা আৰু সহায়ৰ বাবে আমি আপোনালোকক ধন্যবাদ জনাইছো। অনুগ্ৰহ কৰি একেৰাহে এইদৰে কৰিব।

অলপতে মই দক্ষিণ ভাৰতত পৰিদৰ্শন কৰাৰ সময়ত প্ৰভুৰ পৰিচৰ্য্যাত থকা কিছুমান সহকৰ্মীৰ সৈতে আমাৰ সম্পৰ্কক শক্তিশালী কৰাত সমৰ্থ হৈছো। তেওঁলোকৰ অঞ্চলসমূহত বিনামূল্যত শুভাবাৰ্তা পত্ৰিকা আৰু পুস্তক বিলাবলৈ দি আশীৰ্বাদ কৰিবলৈ সমৰ্থ হ'লো। আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনী শুভবাৰ্তা ছপাশাল আৰু পত্ৰিকা কৰ্মীসকলৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ। আমি প্ৰতিদিনে ভাল সঁহাৰি পাই আছো। আমি যুৱক-যুৱতীসকলৰ বাবে বিভিন্ন ঠাইত বিশেষ সভা-সমিতিৰ আয়োজন কৰিলো। আমাৰ ভনী




ভল্লুপুৰাম নগৰৰ আমাৰ শুভবাৰ্তা পত্ৰিকাৰ বিতৰক পালক জেকব জেয়াকুমাৰ



চেয়ুৰৰ আমাৰ বিব্লিকৰ বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ স্নাতকধাৰী ভাই চলোমন মনোহাৰান, ব্যৱসায়ী, ৯৯ কে-এম. কফি মেজিক আৰু গ্ৰাম্য পালক মুলাইভানান




পালক দানিয়েল, ভেলিউৰ টাউন



পালক ষ্টিফেন কাঠিক, ভিৰুধ নগৰ টাউন

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ✪ BIBLECOR - Postal Courses (3 languages) ✪ Online Courses ✪ Theological Correspondence Courses (2 languages) ✪ Church Planting ✪ Nehemiah Bible Colleges ✪ Gospel Printing Press ✪ Great Commission Partners ✪ St. Paul's Matriculation School ✪ Crusades ✪ Community Development



ছেলভা কুমাৰী



পালক চানী প্ৰসাদ



ৰেভাঃ ড° আনন্দ বাবু

এঞ্জেলিনা ছেলভাকুমাৰী, ৰেভাঃ ডাক্তৰ চান্নী প্ৰচাদ, ৰেভাঃ ডাক্তৰ আনন্দ বাবু আদিক ইয়াত ঈশ্বৰে ব্যৱহাৰ কৰিলে।

প্ৰিয় বন্ধুসকল, ঈশ্বৰৰ পৰিচৰ্য্যা কৰাটো ইয়াত সাধাৰণ বিষয় নহয়। আমি অবৰ্ণনীয় আৰু অপৰিচিত মন্দ শক্তিবোৰৰ সৈতে যেনে- আমাৰ কৰ্মীৰ পৰিয়ালত ৰোগ, চয়তানৰ চিধা আক্ৰমণ, ৰাজনৈতিক হেঁচা, খ্ৰীষ্টিয়ান বিৰোধী উপাদান, আৰ্থিক সীমাবদ্ধতা ইত্যাদিৰ বিৰুদ্ধে যুঁজ কৰিবলগীয়া হৈছো। আমি প্ৰকৃততে কঠিন পৰিস্থিতিত সংগ্ৰাম কৰি আছো। কেৱল আমিয়েই নহয়, ঈশ্বৰৰ সকলো প্ৰকৃত দাসসকলে একেখন নাঁৱতেই যাত্ৰা কৰি আছে। আপোনালোকে যদি আগবাঢ়ি আহি আমাক প্ৰাৰ্থনা আৰু সহায়েৰে ধৰি নাৰাখে, তেন্তে হেৰুৱা আত্মাবিলাকক শুভবাৰ্তা দিয়াটো আমাৰ বাবে বহুত অসুবিধা হ'ব।

গতিকে অনুগ্ৰহ কৰি তলত দিয়া কাৰ্য্য কৰিবলৈ আগবাঢ়ি আহক ঃ

১। আমাৰ বাবে, ঈশ্বৰৰ সকলো দাসসকলৰ বাবে আৰু ভাৰত তথা ওচৰ-চুবুৰীয়াৰ দেশসমূহৰ বিভিন্ন ডিনমিনেশ্বনৰ মণ্ডলীসমূহৰ বাবে কৰা আপোনালোকৰ প্ৰাৰ্থনাৰ সময়ক বৃদ্ধি কৰক।

২। আমাৰ তেওঁৰ আহ্বানৰ পালক, প্ৰচাৰক, বাদ্য-যন্ত্ৰবাদকৰ দৰে, আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলত শিক্ষকৰ দৰে, আমাৰ নহিমিয়া বাইবেল কলেজত অধ্যাপকৰ দৰে প্ৰশাসনীয় কৰ্মী, কাৰ্য্যদৰ্শী, প্ৰযুক্তিগত কৰ্মীৰ দৰে সেৱা আগবঢ়াওক।

৩। আপোনাৰ আৰ্থিক সহায়ক বৃদ্ধি কৰক যিদৰে ঈশ্বৰে আপোনাক চলায়, কিয়নো আমাৰ কৰ্মী সকলৰ, প্ৰিণ্টিং পেপাৰৰ মূল্য বৃদ্ধি, প্ৰিণ্টিং চিয়াহী, ডাক-খৰছ, ঘৰভাড়া, ৰক্ষণাবেক্ষণ ইত্যাদিৰ বিশেষ প্ৰয়োজনীয় বিষয়বোৰ ব্যাপকভাৱে বৃদ্ধি পাইছে।

## আঞ্চলিক মিটিং

কভিড-১৯ পাছৰ পৰা দেওবৰীয়া উপাসনাসমূহৰ মানুহৰ উপস্থিতিৰ সংখ্যা হ্ৰাস হোৱাৰ পৰা জয়ী হ'বলৈ, আমি প্ৰতি শুকুৰবাৰে সন্ধ্যা ৬ ৰ পৰা ৭ বজালৈকে এৰিয়া মেম্বাৰচ মিটিংৰ আয়োজন কৰি আছো। আমাৰ আঞ্চলিক চলাওঁতা সকলৰ সহায়ৰ দ্বাৰাই আমি তেওঁলোকক লগ কৰো আৰু তেওঁলোকৰ লগত প্ৰাৰ্থনা কৰো। আমি তেওঁলোকক পৰিয়ালৰ সৈতে নিমন্ত্ৰণ কৰো আৰু তেওঁলোকৰ সমস্যাবোৰক ক'বলৈ উৎসাহ যোগাওঁ। এই লক্ষ্যত আমি ভালকৈ কৃতকাৰ্য্য হৈছো কিয়নো এতিয়া আমাৰ মণ্ডলীৰ বিশ্বাসীসকলৰ উপস্থিতিৰ সংখ্যা বৃদ্ধি পাইছে। আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ পবিত্ৰ নামৰ প্ৰশংসা হওক। যোৱা বছৰকেইটাত কভিড-১৯ ৰ দ্বাৰাই প্ৰভাৱিত হোৱা দৰিদ্ৰ মানুহবিলাকক জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সককে হ'লেও ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই সহায় কৰিবলৈ সমৰ্থ হ'লো।



আনকি এতিয়াও সাধাৰণ মানুহবিলাকে পষ্ট কভিড-১৯ ৰ বেয়া প্ৰভাৱত পৰিছে আৰু বিভিন্ন ৰোগত পৰিছে। দৰিদ্ৰ আৰু পীড়িত লোকসকলৰ বাবে চিকিৎসা আৰু শিক্ষামূলৰ সহায় কৰিবলৈ আমাৰ পুঁজিৰ প্ৰয়োজন হৈছে। আমি আপোনাৰ দৰে কিছুমান মানুহক আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি আছো। ইয়াৰ বাবে ঈশ্বৰে যদি আপোনাক চলায় তেন্তে আপুনি ইখ অফ হীজ কল/শিক্ষামূলক আস্থালৈ আপোনাৰ চেক/ডিমাণ্ড ড্ৰাফ্ট পঠাব পাৰে। (ভাৰতীয় দাতালৈ আয়কৰ আইনৰ ৮০ জিৰ অধীনত কৰ কৰ্তন ৰছিদ আমি আপোনালোকক দিম) ইখ অফ হিজ কল এডুকেশ্বনেল ট্ৰাষ্ট এটা চৰকাৰী অনুমোদিত দানশীলতা সংস্থা হয়।

আমি আপোনালোকৰ আৰু আপোনালোকৰ প্ৰয়োজনীয় বস্তুৰ বাবে ঈশ্বৰে আপোনালোকক আৰু অধিককৈ আশীৰ্বাদ কৰক আৰু এই নতুন ২০২৩ বৰ্ষত নতুন বল, পৰাক্ৰম, জ্ঞান আৰু দীৰ্ঘায়ু কৰি আগবাঢ়ি যাবলৈ সমৰ্থ কৰক।

যিহোৱাই তোমালোকক আশীৰ্বাদ কৰি ৰাখক; যিহোৱাই তেওঁৰ নিজ পোহৰেৰে তোমালোকক উজ্জ্বল কৰি ৰাখক আৰু তোমালোকৰ প্ৰতি দয়ালু হওঁক; যিহোৱাই তোমালৈ দৃষ্টি কৰক আৰু তোমালোকক শান্তি দান কৰক। গণনা পুস্তক ৬ঃ২৪-২৬।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

**হৈছে। "তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিব, আৰু তুমি তেওঁৰ নাম যীচু থবা। কাৰণ তেঁৱেই নিজৰ লোকক তেওঁবিলাকৰ পাপবোৰৰ পৰা ত্ৰাণ কৰিব। প্ৰভুৱে যি বচন ভাৱবাদীৰ দ্বাৰাই কোৱাইছিল, বোলেঃ "চোৱা, সেই কন্যাই গৰ্ভৱতী হৈ, পুত্ৰ প্ৰসৱ কৰিব, আৰু লোকে তেওঁৰ নাম ইম্মানুৱেল থ'ব," এই নামৰ অৰ্থ, "আমাৰ লগত ঈশ্বৰ। পাছে যোচেফে টোপনিৰ পৰা উঠি, প্ৰভুৰ দূতে তেওঁক আজ্ঞা দিয়াৰ দৰে কৰি, নিজৰ ভাৰ্য্যাক গ্ৰহণ কৰিলে।"** মথি ১ঃ১৮-২৪।

যোচেফৰ সৈতে আৰম্ভ কৰো। বৰদিনৰ ইতিহাসত তেওঁৰ চৰিত্ৰক মূল্য নিদিয়া আৰু প্ৰায়ে তেওঁক উপেক্ষা কৰিছে। তেওঁ কাহিনীটোক সমৰ্থন কৰা ধৰণৰ হয়। আমি তেওঁৰ বিষয়ে অধিক নাজানো। কিন্তু যোচেফ এজন সাধাৰণ ব্যক্তি আছিল, তেওঁ ডেকা আৰু দৰিদ্ৰ আছিল। তেওঁৰ ধন নাছিল, একেবাৰে সৰু গাঁওখনত সম্ভৱত সাধাৰণ কাম কৰা লোক আছিল। তেওঁৰ বাগদান হোৱাৰ বাহিৰে আমি তেওঁৰ বিষয়ে অধিক নাজানো। মৰিয়মে যোচেফৰ লগত বাগদান হোৱাৰ পাছত তেওঁক পবিত্ৰ আত্মাৰ দ্বাৰাই পোৱা এটি শিশুৰ সৈতে দেখা গৈছিল।

বন্ধুসকল, আপোনালোকৰ সৈতে এইদৰে ঘটা হ'লে, বিশ্বাস কৰিলেহেঁতেন নে? এনে এটা অধিক

অসঙ্গত আৰু ভয়ানক অযুক্তি ইতিহাস ঘটিছিল, কিন্তু এইটো সত্য। এতিয়া, যোচেফলৈ পৰীক্ষা আহিল। বাইবেলে কয় যে যোচেফ এজন ধাৰ্মিক লোক আছিল আৰু তেওঁৰ ভাৰ্য্যাক গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাছিল। তেওঁ ঘটনাটোক বিশ্বাস কৰা নাছিল, কিন্তু চাওক ইয়াত বাইবেলে কি কয়। এক অধ্যায়ত, আমি পঢ়িবলৈ পাওঁ যে যোচেফ এজন ধাৰ্মিক লোক আছিল আৰু তেওঁ মৰিয়মক ৰাজ্যৰ আগত নিন্দাৰ পাত্ৰ কৰিবলৈ ইচ্ছা নকৰিলে আৰু গুপুতে ত্যাগ কৰিবলৈ মন কৰিলে। **তাতে তেওঁৰ স্বামী যোচেফ এজন ধাৰ্মিক লোক হোৱাত, তেওঁক ৰাজ্যৰ আগত নিন্দাৰ পাত্ৰ কৰিবলৈ ইচ্ছা নকৰি গুপুতে ত্যাগ কৰিবলৈ মন কৰিলে।** মথি ১ঃ১৯। তেতিয়াৰ দিনত বাগদান হোৱাটো বিবাহ হোৱাৰ দৰে আছিল। এইটো এটা সম্পূৰ্ণ বন্ধন হোৱাৰ দৰে আছিল। আপুনি এনেই সেই বন্ধনক ভাঙিব নোৱাৰে। সেইবন্ধনক ভাঙিবলৈ হ'লে, ত্যাগ ঘোষণা কৰিব লাগিব। গতিকে তেওঁ গুপুতে ত্যাগ কৰিবলৈ ইচ্ছা কৰিলে। কিন্তু দূত এজনে তেওঁক সপোনত দৰ্শন দিলে। আৰু যেতিয়া যোচেফে সাৰ পালে। প্ৰভুৰ দূতে তেওঁক আজ্ঞা দিয়াৰ দৰে তেওঁ কৰিলে। আৰু তেওঁ মৰিয়মক নিজ ভাৰ্য্যাৰ দৰে গ্ৰহণ কৰি ঘৰলৈ নিলে। **পাছে যোচেফে টোপনিৰ পৰা উঠি, প্ৰভুৰ দূতে তেওঁক আজ্ঞা দিয়াৰ দৰে কৰি, ভাৰ্য্যাক গ্ৰহণ কৰিলে।** মথি ১ঃ২৪। এনে অসম্ভৱ কথাক গ্ৰহণ কৰিবলৈ মহান বিশ্বাসৰ প্ৰয়োজন আৰু তেওঁ কেতিয়াও কল্পনা নকৰা তেওঁৰ জীৱনত ঈশ্বৰৰ ডাঙৰ আৰু উত্তম পৰিকল্পনাক ভাৰসা কৰিবলৈও বিশ্বাসৰ প্ৰয়োজন আছিল।

ইয়াত এটা আমি মন কৰিবলগীয়া বিষয় আছেঃ যদি আপুনি ঈশ্বৰৰ দ্বাৰাই আশীৰ্বাদপ্ৰাপ্ত হ'ব বিচাৰে, যদি আপুনি আপোনাৰ ব্যৱসায়ত, আপোনাৰ বিবাহত, আপোনাৰ বন্ধুত্বত, আৰ্থিকত তেন্তে আপুনি যোচেফে কৰাৰ দৰে কৰক আৰু আপোনাৰ জীৱনত ঈশ্বৰৰ পৰিকল্পনাৰ লগত সহযোগ কৰক আৰু আপোনাৰ জীৱনত নিজৰ পৰিকল্পনাক পৰিহাৰ কৰক। যোচেফৰ জীৱনত এইদৰে সম্পূৰ্ণ ঘূৰি অহাক বুজায়। তেওঁ মৰিয়মৰ সৈতে বেলেগ পৰিকল্পনা কৰিছিল। কিন্তু ঈশ্বৰৰ পৰিকল্পনা ডাঙৰ আৰু উত্তম আছিল। আপুনিও আপোনাৰ জীৱনৰ বাবে ঈশ্বৰৰ পৰিকল্পনাৰ সৈতে সহযোগ কৰক, যদিও এইটো অনুকূল যেন নালাগিলেও কৰক। এইটো পাছত ঠিক হৈ যাব।

প্ৰিয় বন্ধুসকল, ঈশ্বৰৰ এটা ডাঙৰ পৰিকল্পনা আছে। বাইবেলে কয়, **'কাৰণ যিহোৱাই কৈছে, মই তোমালোকৰ বিষয়ে কৰা সংকল্প ময়েই জানো; তোমালোকৰ শেষ অৱস্থাত তোমালোকৰ আশা দিবলৈ সেয়ে মঙ্গলৰ সংকল্প, অমঙ্গলৰ নহয়।** যিৰিমিয়া ২৯ঃ১১। ঈশ্বৰে কয় মই জানো মই কি কৰি আছো। মই সকলো পৰিকল্পনা কৰি উলিয়াইছো। ঈশ্বৰে পৰিকল্পনা আপোনাৰ মঙ্গলৰ বাবে কৰে, আপোনাক কষ্ট দিবলৈ নহয়। ঈশ্বৰ এজন মহান ঈশ্বৰ হয়। তুমি আশা কৰা ভৱিষ্যক মোৰ পৰিকল্পনাই দিব। আপুনি ঈশ্বৰত ভাৰসা কৰে নে, বা নিজৰ ওপৰতে ভাৰসা কৰে? **আপুনি ঈশ্বৰৰ পৰিকল্পনাক ভাৰসা কৰে নে বা নিজৰ পৰিকল্পনাক ভাৰসা কৰে।** যদি আপুনি আপোনাৰ জীৱনত ঈশ্বৰৰ আশীৰ্বাদক বিচাৰে, তেন্তে আপুনি আপোনাৰ জীৱনৰ বাবে ঈশ্বৰৰ পৰিকল্পনাৰ সৈতে সহযোগ কৰিব লাগিব। সেই গতিকে যোচেফে প্ৰথম বৰদিনক পাইছিল। গতিকে যোচেফৰ দৰে আপুনিও আপোনাৰ জীৱনৰ বাবে ঈশ্বৰৰ পৰিকল্পনাৰ সৈতে সহযোগ কৰিব লাগিব।

## ২। মেৰৰখীয়াবিলাকে আনন্দ কৰিলে!

**কিন্তু দূতে তেওঁলোকক ক'লে, "ভয় নকৰিবা; কিয়নো চোৱা, যি শুভবাৰ্তা সকলো লোকৰ নিমিত্তে হ'ব, সেই মহা আনন্দৰ শুভবাৰ্তা মই তোমালোকক জনাওঁ যে আজি দায়ুদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্তা জন্মিল; তেওঁ অভিসিক্ত প্ৰভু"** (লুক ২ঃ১০-১১)।



মেৰৰখীয়াবিলাকে সামাজিক জখলাৰ একেবাৰে তলত আছিল। ৰোমান সাম্ৰাজ্য আৰু নতুন নিয়মৰ দিনত তেওঁলোক নিম্ন শ্ৰেণীৰ লোক আছিল। তেওঁলোক মেৰৰৰ দৰে গোন্ধাইছিল, জট আছিল আৰু ভিজা আছিল। তেওঁলোকক জন্মদিনৰ কাৰ্যসূচীত কোনোৱেও নিমন্ত্ৰণ নকৰিব, কিয়নো তেওঁলোকে ঠাইখন গোন্ধাই দিব। সমাজত তেওঁলোকক কোনেও সন্মান নকৰে। আৰু তথাপিও ঈশ্বৰে উচ্চৰ পৰা নিম্নলৈকে গৈ তেওঁলোকক তেওঁৰ পুত্ৰৰ জন্মৰ স্থানত নিমন্ত্ৰণ জনালে। তেওঁলোক প্ৰতিটো নিশা তেওঁলোকৰ মেৰবোৰক বাং কুকুৰ আৰু আন জন্তুৰ পৰা ৰক্ষা কৰিবলৈ ঘাঁহতে মেৰবোৰৰ লগত শুইআছিল। বাইবেলে কয়, মাজনিশাত স্বৰ্গদূতে আহি তেওঁলোকক দৰ্শন দিয়ে

৬ পৃষ্ঠাত চাওঁক


# নহিমিয়া বাইবেল সন্ধ্যা / আবাসিক মহাবিদ্যালয়, চেন্নাই

মাধ্যম ঃ হিন্দী / তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

ATA — Regd. Candidate for Membership — NEHEMIAH BIBLE COLLEGE CHENNAI

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

নামভৰ্তিৰ বাবে সোনকাল কৰক!

**Contact : The Chairman, Nehemiah Bible College.**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২২ চনৰ ১৯ডিচেম্বৰৰ পৰা ২০২৩ চনৰ ১৮ জানুৱাৰীলৈ**

## প্ৰশংসাৰ বিষয়সমূহ

ডিচেম্বৰ ১৯ ঃ আমাৰ শুভবাৰ্তা ছপা কৰা ছপাশাল আৰু যথেষ্ঠ সংখ্যক কৰ্মীৰে চলি থকা কামবিলাক।

ডিচেম্বৰ ২০ ঃ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালক সকলোকে দুষ্ট শক্তিৰ পৰা নিৰাপত্তা প্ৰদান।

ডিচেম্বৰ ২১ ঃ আমাৰ সকলো সহকাৰী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ।

ডিচেম্বৰ ২২ ঃ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তাৰ সৈতে অনুগ্ৰহৰে প্ৰৱেশ কৰিবলৈ সহায়।

ডিচেম্বৰ ২৩ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমে লোকবিলাকলৈ আগবঢ়োৱা সেৱা।

ডিচেম্বৰ ২৪ ঃ আমাৰ সহকাৰী সম্পাদকসকল, সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ।

ডিচেম্বৰ ২৫ ঃ জগতৰ উদ্ধাৰকৰ্তা, যীচু খ্ৰীষ্টই আমাক ৰক্ষা কৰিবলৈ জন্মিল।

ডিচেম্বৰ ২৬ ঃ ক'ৰণা ভাইৰাচৰ সংক্ৰমণ হ্ৰাস।

ডিচেম্বৰ ২৭ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালৰ ওপৰত তেওঁৰ আশীৰ্বাদ বৰষাই দিয়া।

ডিচেম্বৰ ২৮ ঃ মিশ্বনৰ কৰ্মকৰ্তাসকলৰ মহান উৎসৰ্গা।

ডিচেম্বৰ ২৯ ঃ এই বৰ্ষত সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাক কাম-কাজ সুচাৰুৰূপে চলিল।

ডিচেম্বৰ ৩০ ঃ এই বৰ্ষত প্ৰভুৰ দাসসকলক আশীৰ্বাদৰ সৈতে স্বৰ্গীয় নিৰাপত্তা।

ডিচেম্বৰ ৩১ ঃ এই ২০২২ বৰ্ষত সকলো প্ৰয়োজনীয়বিলাক আচৰিত ৰূপে যোগোৱা।

জানুৱাৰী ০১ ঃ ২০২২ বৰ্ষত সকলো পদুৰৈ আৰু গোটেই পৃথিৱীৰ লোকসকললৈ শান্তি আৰু লগতে ২০২৩ ৰ নতুন বৰ্ষত প্ৰৱেশ কৰালে।

জানুৱাৰী ০২ ঃ ঈশ্বৰে আমাৰ মুখ্য আৰু কেন্দ্ৰীয় মণ্ডলীবিলাকক অধিক বিশ্বাসীসকলৰ দ্বাৰাই আশীৰ্বাদ।

জানুৱাৰী ০৩ ঃ ২০২৩ ৰ বাবে ভাল প্ৰতিজ্ঞাৰে আমাৰ সকলো মণ্ডলী আৰু বিশ্বাসীলৈ আশীৰ্বাদ।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

জানুৱাৰী ০৪ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মেডিয়া মিনিষ্ট্ৰিৰ বাবে এটা ভিডিঅ' কেমেৰা যোগাই দিবলৈ প্ৰাৰ্থনা কৰক।

জানুৱাৰী ০৫ ঃ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, শিক্ষকসকল, ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্মচাৰী, নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰম।

জানুৱাৰী ০৬ ঃ পৃথিৱীৰ সকলো খ্ৰীষ্টিয়ান শিক্ষানুষ্ঠানসমূহৰ সুনাম বজাই ৰাখিবলৈ।

জানুৱাৰী ০৭ ঃ সকলো পৰিয়ালত শান্তি বিৰাজ।

জানুৱাৰী ০৮ ঃ পৃথিৱীত থকা লোকসমূহে যাতে নতুন ৰোগবিলাকক প্ৰতিৰোধ কৰিব পাৰিব আৰু ভাল স্বাস্থ্যৰে যেন থাকিব পাৰে।

জানুৱাৰী ০৯ ঃ গোটেই জগতৰ চাৰিওফালে থকা লোকসকলৰ উপাৰ্জন চলি থাকিবলৈ।

জানুৱাৰী ১০ ঃ সকলো মণ্ডলীবিলাকত দুষ্ট শক্তিবিলাকৰ বিৰুদ্ধে স্বৰ্গীয় নিৰাপত্তা।

জানুৱাৰী ১১ ঃ পৃথিৱীৰ সকলো নেতাবিলাকে লোকবিলাকৰ কল্যাণৰ অৰ্থে কাম কৰিবলৈ স্বৰ্গীয় জ্ঞানেৰে পৰিপূৰ্ণ হওঁক।

জানুৱাৰী ১২ ঃ সকলো মণ্ডলী আৰু খ্ৰীষ্টিয়ান অনুষ্ঠানসমূহ চৰকাৰৰ দ্বাৰা আইনী প্ৰক্ৰিয়াৰে স্বীকৃতিপ্ৰাপ্ত হওঁক।

জানুৱাৰী ১৩ ঃ যুৱক-যুৱতীসকলৰ মাজৰ পৰা দুষ্কৰ্মবোৰ আৰু হত্যাবোৰ নিশেষ হওঁক আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওঁক।

জানুৱাৰী ১৪ ঃ দেশবিলাকৰ মাজত শান্তি স্থাপন আৰু আৰ্থিক উন্নতিৰ বাবে

জানুৱাৰী ১৫ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিভিন্ন পৰিচৰ্য্যাসমূহৰ ওপৰত আশীৰ্বাদ।

জানুৱাৰী ১৬ ঃ খ্ৰীষ্টীয়লোকসকলে ঈশ্বৰৰ বাক্যক অনুসৰণ কৰক আৰু চৰিত্ৰও যেন খ্ৰীষ্টৰ দৰে হয়।

জানুৱাৰী ১৭ ঃ ২০২৩ ৰ নতুন বৰ্ষটিত ঈশ্বৰৰ শক্তিমান হাত পালক এচ চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ ওপৰত থাওঁক।

জানুৱাৰী ১৮ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাসৰ অংশীদাৰসকল, জীৱন অংশীদাৰ সকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁ বিলাকৰ পৰিয়ালৰ ওপৰত আশীৰ্বাদ।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

আৰু অকস্মাতে আকাশত পোহৰ হ'ল আৰু দূতে তেওঁলোকক ক'লে, "ভয় নকৰিবা মই সেই আনন্দৰ বাৰ্তা তোমালোকক জনাওঁ।" যেতিয়াই এজন স্বৰ্গদূতে দৰ্শন দিয়ে তেওঁ ভয় নকৰিবা বুলি আৰম্ভ কৰে কিয়নো আপুনি তেওঁক দেখাৰ লগে লগে ভয়ত মৃত্যু হ'ব পাৰে, এইমহা আনন্দৰ বাৰ্তা সকলো লোকৰ বাবে হ'ব। বৰদিন কেৱল খ্ৰীষ্টিয়ান বিলাকৰ বাবে নহয়। সকলো লোকৰ বাবে হয়।

যীচু কেৱল কেইজনমান লোকৰ বাবে আহি মৃত্যু হোৱা নাছিল, কিন্তু সকলোৰে বাবে হৈছিল। এইটো প্ৰত্যেকৰ বাবে শুভবাৰ্তা। তেওঁ কয়, আজি দায়ূদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্তা। এইটো আপোনাৰ লাভৰ বাবে হয় আৰু তেওঁ খ্ৰীষ্ট প্ৰভু হয়। মেৰৰখীয়া বিলাকে বৈৎলেহেমলৈ গ'ল। আমি এইদৰে পঢ়োঁ, **তাতে তেওঁলোকে বেগাই গৈ মৰিয়ম, যোচেফ আৰু দানাপাত্ৰত শুৱাই থোৱা ল'ৰাটিক দেখা পালে আৰু দেখি সেই ল'ৰাটিৰ অৰ্থে তেওঁলোকক যি যি কোৱা হৈছিল, সেই সকলো কথা জনালে। তাতে যিবিলাকে শুনিলে, তেওঁবিলাক সকলোৰে, মেৰৰখীয়াবিলাকে কোৱা কথাত বিস্ময় মানিলে।** লূক ২ঃ১৬-১৮।

মেৰৰখীয়াবিলাকে বেগাই বৈৎলেহেমলৈ গ'ল তাত তেওঁলোকে মৰিয়ম, যোচেফ আৰু দানপাত্ৰত শুৱাই থোৱা শিশু যীচুক দেখা পালে। আৰু তেওঁলোকে তেওঁক দেখাৰ পাছত প্ৰশংসাৰ গীত গাই, ঈশ্বৰক ধন্যবাদ দি তেওলোকৰ পথাৰলৈ ঘূৰি গুচি গ'ল। তেওঁলোকে এটা পাৰ্টীৰ আয়োজন কৰিলে। তেওঁলোকে প্ৰশংসাৰ গীত গাই আছে আৰু দূতে তেওঁলোকক কোৱা কথা শুনা এই সকলোৰে বাবে ঈশ্বৰক ধন্যবাদ দি আছে। তেওঁলোকে আনন্দ কৰি আছে। যোচেফে সহযোগ কৰিলে আৰু মেৰৰখীয়াবিলাকে আনন্দ কৰিলে। তেওঁলোকে পাৰ্টী কৰি আছে। বৰদিন এটা উৎসৱ হয়, অন্ত্যেষ্টিক্ৰিয়া নহয়। সেই গতিকে আমি মেৰি খ্ৰীষ্টমাচ বুলি কওঁ।

খ্ৰীষ্টৰ জন্ম, সকলো মানুহলৈ এটা মহান আনন্দৰ বাৰ্তা হয়। দায়ূদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্তা জন্মিল, তেওঁ অভিসিক্ত প্ৰভু। এইটোৱেই উত্তম বাৰ্তা। আপুনি আপোনাৰ পাপ ক্ষমা কৰাই ল'ব পাৰে। আপুনি জীয়াই থাকিবৰ এটা উদ্দেশ্য পাব পাৰে। **এইটো এটা আনন্দৰ সময়।** ইয়াতে আমি দ্বিতীয় বিষয় লক্ষ্য কৰিব লাগিব। যদি আপুনি আশীৰ্বাদপ্ৰাপ্ত হ'ব বিচাৰে, তেন্তে আপুনি মেৰৰখীয়াবিলাকৰ দৰে পালন কৰিব লাগিব। কিয়নো আমাৰ লগত ঈশ্বৰ আছে।

দেখি বৰ ভয়ঙ্কৰজনক লাগে, কিয়নো কিছুমান মানুহে বৰদিন উৎসৱৰ সময়ত বৰ বেলেগ ধৰণে পালন কৰে। বৰদিনৰ পাৰ্টীত সকলো ধৰণৰ বস্তু ব্যৱহাৰ কৰা হয় আৰু যীচুৰ নামটো উল্লেখেই নহয়। কিন্তু বৰদিন পালনৰ এটাই উদ্দেশ্য আছে, সেইটো হৈছে আমাৰ লগত ঈশ্বৰ। তেওঁ জগতলৈ আহিছে, আমি এই পৃথিৱীত অকলশৰীয়া নহয়। আমাৰ জীৱনৰ বাবে তেওঁৰ ওচৰত এটা পৰিককল্পনা আৰু উদ্দেশ্য আছে। তেওঁ আমাক প্ৰেম কৰে আৰু ক্ষমা কৰে।

মেৰৰখীয়াবিলাকে কেৱল আনন্দ কৰাই নহয়, কিন্তু যোগাযোগো ৰাখিলে। ইয়াত কৈছে যে তেওঁলোকে প্ৰত্যেককে শুভবাৰ্তা জনালে। আপুনি কেতিয়াবা কাৰোবাক শুভবাৰ্তা জনাইছে নে? পৃথিৱীৰ আটাইতকৈ উত্তম এই শুভবাৰ্তাক কেতিয়াবা জনাইছে নে? আমাৰ ওচৰত যি শুভবাৰ্তা আছে তাত পাপৰ ক্ষমা আছে, আমাৰ জীৱনৰ উদ্দেশ্য আছে আৰু স্বৰ্গত ঠাই আছে। যীচুক বিশ্বাক কৰা আৰু গ্ৰহণ কৰা সকলৰ বাবে আছে। বন্ধুসকল, আপোনালোকে এই শুভবাৰ্তা আনক দিছে নে? শাস্ত্ৰপীঠে আমাক কয় যে মেৰৰখীয়াবিলাকে যাকেই লগ পালে তাকেই এই শুভবাৰ্তা জনালে। এইদৰে তেওঁলোকে পালন কৰিলে আৰু যোচেফে সহযোগ কৰিলে। মেৰৰখীয়াবিলাকৰ দৰে, আমাৰ লগত ঈশ্বৰ আছে বুলি পালন আৰু পৰিত্ৰাণৰ এই শুভবাৰ্তাক আনবিলাককো জনাওক।

## ৩। মৰিয়মে নিজৰ মনতে চিন্তা কৰিলে!

**আৰু দেখি, সেই ল'ৰাটিৰ অৰ্থে তেওঁলোকক যি যি কোৱা হৈছিল, সেই সকলো কথা জনালে। তাতে যিবিলাকে শুনিলে, তেওঁবিলাক সকলোৰে, মেৰৰখীয়াবিলাকে কোৱা কথাত বিস্ময় মানিলে। কিন্তু মৰিয়মে এই সকলো কথা বিবেচনা কৰি মনত ৰাখিলে।** লূক ২ঃ১৭-১৯।

মৰিয়মৰ বয়স ১৩ বছৰীয়া যুৱতীৰ দৰে আছিল কিন্তু তেওঁ যোচেফৰ লগত বিবাহ কৰাৰ পূৰ্বে গৰ্ভৱতী হ'ল। তেওঁক যোচেফৰ লগত বিবাহ কৰাৰ পূৰ্বে গৰ্ভৱতী হ'ল। তেওঁক যোচেফৰ সৈতে কেৱল বাগদানহে কৰা হৈছিল। তেওঁ গৰ্ভত ঈশ্বৰৰ পুত্ৰক লৈ আছিল। কোনেও এই কথা বিশ্বাস নকৰিব। কিন্তু মৰিয়মে ভয় নাখালে। মৰিয়মে ভয় নকৰা কাৰণটো এইয়ে আছিল যে ঈশ্বৰে তেওঁলৈ দিয়া প্ৰতিজ্ঞাৰ বিষয়ে কেৱল ভাবি আছিল। আৰু যেতিয়া যোচেফে সহযোগ কৰিলে আৰু মেৰৰখীয়াবিলাকে আনন্দ কৰিলে, মৰিয়মে মনতে চিন্তা কৰি আছিল। তেওঁ কেৱল ঈশ্বৰৰ বাক্যৰ



বিষয়ে চিন্তা কৰি আছিল। "তেতিয়া মেৰৰখীয়াবিলাকে যি যি দেখিলে আৰু দূতে শিশুটিৰ বিষয়ে যি যি ক'লে, সেই সকলো কথা সকলোকে জনালে। যিবিলাকে তেওঁলোকৰ কথা শুনিলে বিস্ময় মানিলে, কিন্তু মৰিয়মে সকলো কথা মনতে ৰাখিলে আৰু একেৰাহে মনতে চিন্তা কৰি আছিল।" আটাইবিলাক কুমাৰীৰ মাজত ঈশ্বৰে কেৱল মৰিয়মকহে আশীৰ্বাদ কৰিবলৈ বাচি ল'লে। ঈশ্বৰে তেওঁক তেওঁৰ পুত্ৰৰ মাতৃ হ'বলৈ মনোনীত কৰিলে কাৰণ মৰিয়মে ঈশ্বৰৰ বাক্যত মনোযোগ দিছিল। যেতিয়া ঈশ্বৰে তেওঁক ক'লে, তেওঁ শুনিলে, তেওঁ কেৱল শুনিলে এনে নহয়, তেওঁ মনত ৰাখিলে, তেওঁ মনত চিন্তা কৰিলে, তেওঁ ধ্যান কৰিলে, তেওঁ একেৰাহে মনতে সকলো ৰাখিলে। স্বৰ্গদূতে কোৱো কথা শুনি প্ৰত্যেকেই আচৰিত হ'ল, কিন্তু মৰিয়মে মনতে চিন্তা কৰিলে। ডাঙৰ পাৰ্থক্য আছে বন্ধুসকল। যদি আপুনি কথা ৰখা মানুহ হয়, ঈশ্বৰে আপোনাক এনেদৰে আশীৰ্বাদ কৰিব যে আপুনি বিশ্বাস নকৰিব। যদি আপুনি পৃথিৱীৰ মানুহ হয়, তেন্তে আশীৰ্বাদৰ বাবে কোনো কোঠা খালী নাই, কিয়নো আপুনি কথা ৰখাৰ বিষয়ে চিন্তা কৰা নাই, আপুনি জগতৰ বিষয়ে চিন্তা কৰি আছে।

যদি আপুনি মৰিয়মৰ দৰে আশীৰ্বাদ পাব বিচাৰে, আপুনি ঈশ্বৰৰ বাক্যক একেৰাহে চিন্তা কৰি থাকিব লাগিব। বাইবেলে কয় যে তেওঁ মনতে একেৰাহে ঈশ্বৰে কোৱা বাক্যবোৰক চিন্তা কৰি আছিল। এতিয়া এই প্ৰতিজ্ঞা কেৱল মহিলাৰ বাবে নহয়। এই প্ৰতিজ্ঞা প্ৰত্যেকৰ বাবে হয়, যিবিলাকে তেওঁৰ বাক্যক প্ৰেম কৰে আৰু শিকে। **কিন্তু যিকোনোৱে স্বাধীনতা স্বৰূপ সিদ্ধ বিধানলৈ চাপৰি দৃষ্টি কৰে, আৰু চাই থাকে আৰু পাহৰোতা নহৈ পালন কৰোঁতা হয়, তেওঁহে নিজ কাৰ্য্যত ধন্য হ'ব।**

যদি আপুনি যত্নেৰে ঈশ্বৰত সিদ্ধ বাক্যক অধ্যয়ন কৰে, যিয়ে আপোনাক মুক্ত কৰে, সত্যই আপোনাক মুক্ত কৰিব। এই বাক্যই আপোনাক যি যি কয়, তাক যদি আপুনি পালন কৰিব, আপুনি আশীৰ্বাদ পাব। ঘৰত, আলমাৰিত, আপোনাৰ কৰ্মস্থলীত,

বাইবেলখন এনেয়ে ৰাখি থ'লে, আপুনি আশীৰ্বাদ নাপাব, কিন্তু আপুনি তেতিয়াহে আশীৰ্বাদ পাব যেতিয়া আপুনি বাইবেল পঢ়িব, অধ্যয়ন কৰিব, মুখস্থ কৰিব, ধ্যান কৰিব, ভাবিব, চিন্তা কৰিব, ব্যৱহাৰ কৰিব আৰু বাক্যই যি কয় তাক পালন কৰিব। যদি আপুনি এইবিলাক পালন কৰিব, আপুনি আশীৰ্বাদ পাব।

**এই ব্যৱস্থা পুস্তকখিনি তোমাৰ মুখৰ পৰা আঁতৰি নাযাওক কিন্তু তাত লিখা আটাইখিনিকে পালন কৰি সেই মতে কাৰ্য্য কৰিবলৈ তুমি দিনে-ৰাতিয়ে তাক ধ্যান কৰা; কিয়নো তাকে কৰিলে, তোমাৰ শুভগতি হ'ব, আৰু তুমি কৃতকাৰ্য্য হ'বা।** যিহোচুৱা ১ঃ৮ গতিকে ইয়াত কয় মনত ৰাখক, অধ্যয়ন কৰক; ধ্যান কৰক আৰু বাক্যক পালন কৰক। তেতিয়া আপুনি, সমৃদ্ধিশালী হ'ব আৰু আপুনি কৃতকাৰ্য্য হ'ব। এইয়ে ঈশ্বৰৰ প্ৰতিজ্ঞা। ঈশ্বৰ মানুহ নহয় যে তেওঁ মিছা কথা ক'ব। যিমানে আপুনি ঈশ্বৰৰ বাক্য পালন কৰিব সিমানেই ঈশ্বৰে আপোনাৰ জীৱনত কৃতকাৰ্য্য আনিব। তেওঁ কয় যে যদি তুমি বিচৰা শাস্ত্ৰ পাঠত এইটোৱেই সমৃদ্ধিশালী আৰু কৃতকাৰ্য্যৰ প্ৰতিজ্ঞা। গমি চোৱা, মনত ৰখা আৰু ঈশ্বৰৰ কাৰ্য্য কৰাটো ইয়াতেই বান্ধ খাই আছে।

## ৪। জ্যোতিষী পণ্ডিতবিলাকে প্ৰণিপাত কৰিলে!

**আৰু ঘৰৰ ভিতৰলৈ সোমাই গৈ, তেওঁৰ মাতৃ মৰিয়মে সৈতে ল'ৰাটিক দেখি, তেওঁক দণ্ডৱতে প্ৰণাম কৰিলে; আৰু নিজৰ নিজৰ বহুমূলীয়া বস্তুৰ টোপোলা মেলি, সোণ, ধূনা এঁঠা, আৰু গন্ধ ৰস তেওঁক উপহাৰ দিলে।** (মথি২ঃ১১)।

জ্যোতিষী পণ্ডিতবিলাক ৰাজকীয় উপদেষ্টা আৰু জ্যোতিষী আছিল, তেওঁলোক ইৰাক বা ইৰানৰ পৰা আহিছিল, তেতিয়া বাবিল সাম্ৰাজ্য বা পাৰস্য সাম্ৰাজ্য আছিল। দানিয়েলক জ্যোতিষী হ'বলৈ শিকোৱা হৈছিল। পূব দেশৰ জ্যোতিষী বা জ্ঞানী পণ্ডিতবিলাক এই পৃথিৱীত আটাইতকৈ শিক্ষিত লোক আছিল। তেওঁলোক বৈজ্ঞানিক, বিদ্বান আছিল। জ্যোতিবিদ্যাত, স্বাস্থ্য, ভাষা আৰু সাহিত্যত বিশেষজ্ঞ আছিল। পৃথিৱীত তেতিয়াৰ দিনত আটাইতকৈ জ্ঞানী আৰু শিক্ষিত লোক আছিল। এতিয়া তেওঁলোক মেৰৰখীয়াবিলাকৰ একেবাৰে বিপৰীত। এই জ্ঞানীলোক বিলাকে পূবদেশৰ পৰা বেৎলেহেমলৈ যাত্ৰা কৰিছিল।

এতিয়া ইৰাক বা ইৰান, পাৰস্য বা বাবিলৰ পৰা বৈৎলেহমলৈ যাত্ৰা কৰিবলৈ বহুত টকাৰ প্ৰয়োজন হ'ব। কিন্তু তেওঁলোক ধনী আছিল, আৰু যাত্ৰা কৰোতে বহুত সময়ো লাগিছিল। কিন্তু তেওঁলোকে এই কাৰ্য্য সম্পূৰ্ণ কৰিলে কিয়নো এইটো বুদ্ধিবৃত্তিক সাধনা আছিল। তেওঁলোকে আকাশত এটি তৰা দেখিছিল। তেওঁলোকে শাস্ত্ৰ অধ্যয়ন কৰিছিল, পাণ্ডুলিপি আৰু পৰম্পৰা অধ্যয়ন কৰিছিল ঃ এইটো এটা চিন আছিল যে বৈৎলেহেমত জগতৰ এজন ত্ৰাণকৰ্তা জন্ম ল'ব। গতিকে তেওঁলোকৰ সময় আৰু ধন খৰচ কৰি বৈৎলেহেমলৈ যাত্ৰা কৰিলে। তেওঁলোকে সত্যক বিচাৰি গৈছিল, তেওঁলোকে ঈশ্বৰক বিচাৰি গৈছিল, এনে কাৰ্য্য সদায় জ্ঞানীৰ কাৰ্য্যহে হ'ব।

প্ৰিয় বন্ধুসকল, আজি আপুনি সত্যক বিচাৰি আছেনে? যদি হয় তেন্তে যীচুক আদৰণী জনাওক। তেওঁ আপোনাক গ্ৰহণ কৰিবলৈ সাজু আছে। যীচুৰ ওচৰলৈ আহিবলৈ আপুনি বিশেষ কৰিবলগীয়া একো নাইঃ আপুনি যিদৰে আছে তেনেদৰে আহক। জ্ঞানী মানুহবিলাকে এতিয়াও যীচুক বিচাৰি আছে। জ্ঞানী মানুহবিলাকে সদায় যীচুক বিচাৰে। কেৱল অজ্ঞানী লোকবিলাকে যীচুক নিবিচাৰে। মুৰ্খই অপ্ৰস্তুত জীৱনৰ যোগেদি যায় আৰু অনিবাৰ্যৰ সন্মুখীন হয়, যাৰ নাম মৃত্যু।

....*Contd. to page 9*

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

## প্ৰভুৱে দুৰ্বলবিলাকৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে GOD ANSWERS THE PRAYER OF THE WEAK!

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ১০-০৮-১৯৬৯ চনৰ পৰাই মই মোৰ শুভবাৰ্তা পৰিচৰ্য্যামূলক প্ৰশিক্ষণ, পত্ৰিকা বিতৰণ, প্ৰাৰ্থনা সভা চলোৱা আৰু মণ্ডলীবিলাকত বাৰ্তা দিয়া পৰিচৰ্য্যাৰ সৈতে আৰম্ভ কৰিছিলো।

ঈশ্বৰৰ এজন দাস হিচাপে মোক কোনোৱেও চিনি পোৱা নাছিল, কিয়নো এই ক্ষেত্ৰত মই নতুনআছিলো। তাৰোপৰি পৰিচৰ্য্যা একেৰাহে চলায় যাবলৈ আৰ্থিক অৱস্থাটোৱে মোক বাধাৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে মই কেইবা মাইল খোজকাঢ়ি গৈ প্ৰতিদিনে মই মোৰ পৰিচৰ্য্যা চলায় গৈ আছিলো। গতিকে দীৰ্ঘ সময় খোজকঢ়া আৰু ভোকত থকাটো মোৰ পৰিচৰ্য্যাৰ এটা অংশ হৈ পৰিছিল। মই মোৰ পৰিচৰ্য্যা কৰিবলৈ আৰু পৰিচৰ্য্যাৰ বাবে বস্তু কিনিবলৈ মোৰ বাবে ধন এটা ডাঙৰ প্ৰয়োজন আছিল।



মোৰ পৰিচৰ্য্যাৰ আৰম্ভণিৰে পৰা মোৰ এটা দৃঢ় সংকল্প আছিল যে মই মোৰ বন্ধুসকল আৰু সম্বন্ধীয় সকলৰ পৰা যিকোনো সহায়ৰ বাবে অনুৰোধ নকৰিম। কিয়নো ঈশ্বৰে তেওঁৰ কাৰ্য্যৰ বাবে মোৰ প্ৰয়োজন বস্তুখিনিক যোগাবই লাগিব, কিয়নো তেওঁ মোক আহ্বান কৰিছিল। ঈশ্বৰে এতিয়ালৈকে তেওঁৰ এই নিয়মটিত মোক লাগি থাকিবলৈ সহায় কৰি আছে। এই নিয়মটি পালন কৰাৰ বাবে মই অবৰ্ণনীয় কষ্ট আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল।

মই ইমানেই মানসিকভাৱে আৰু শাৰীৰিকভাৱে প্ৰভাৱিত হৈছিলো যে মই এটা বিশেষ পৰিস্থিতিত নিজকে চম্ভালিবলৈ পৰা নাছিলো। মোৰএজন সম্বন্ধীয়, স্বাৰাৱনাৱাজে মোৰ বাবে পৰিবহণ বিভাগত এটা চৰকাৰী চাকৰি এটা ওলায় দিবলৈ চেষ্টা কৰিছিল; আৰু কালেব নামৰ ঈশ্বৰৰ দাস এজনে পালাপাল্লাম, মাথিকডত আৰু মোৰ বন্ধু এজনে এটা ব্যক্তিগত ফাৰ্মত এটা চাকৰি উলিয়াই দিবলৈ চেষ্টা কৰিছিল; তেওঁলোক দুয়োৱে প্ৰয়াস বিফলে গ'ল।



এনে ধৰণৰ পৰিস্থিতিত, মই ১৭-০৫-১৯৭১ তাৰিখে যেতিয়া প্ৰাৰ্থনা কৰি আছিলো, তেতিয়া প্ৰভুৰ আত্মাই মোক এটা স্থায়ী চাকৰিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ উদগালে। মোৰ প্ৰাৰ্থনাৰ ফলস্বৰূপে, মই এটা শক্তিশালী বাক্য পালো, “এমাহৰ ভিতৰতে মই তোমাক এটা স্থায়ী চাকৰি দিম আৰু তুমি ইয়াৰ সৈতে জীয়াই থাকিবা।” শাস্ত্ৰপাঠৰ মতে এই বিষয়টিক এইদৰে কৈছে এই বিষয়ত আমাৰ দৃঢ় আস্থা আছে যে, আমি যদি তেওঁৰ ইচ্ছা অনুসাৰে তেওঁৰ ওচৰত যিকোনো বিষয় বিচাৰো, তেনেহ'লে তেওঁ আমাৰ যাচনা শুনে; আৰু আমি যদি সঁচাকৈ জানোঁ যে, আমাৰ যাচনাৰ বিষয় তেওঁ শুনে; তেনেহ'লে আমি জানিব লাগে যে, আমি তেওঁৰ ওচৰত যি যি বিচাৰিছো, সেই সকলো পালো, ১ যোহন ৫ঃ১৪, ১৫। মই এটা নতুন চাকৰি পালো বুলি বিশ্বাস কৰিলো আৰু চাকৰিত যোগদান কৰিবলৈ সকলো যা-যোগাৰ কৰি ল'লো। মোৰ এনে কাৰ্য্য দেখি মানুহবিলাকে মোৰ মানসিক অৱস্থাৰ প্ৰতি সন্দেহ কৰিছিল। কিন্তু মই তেওঁলোকৰ বিষয়ে মনোযোগ নিদিয়াকৈ, ঈশ্বৰত সম্পূৰ্ণ বিশ্বাস কৰিলো।



দিনবোৰ অতিবাহিত হৈ গৈ আছিল, মই অতি আগ্ৰহেৰে ডাক দিয়া মানুহজনলৈ প্ৰতিদিনে বাট চাই আছিলো। সম্পূৰ্ণ এমাহ দিন অতিবাহিত হৈ যোৱাৰ পাছত, ১৮-০৬-১৯৭১ তাৰিখত মই প্ৰভুত বিশ্বাস ৰাখি ডাকঘৰলৈ গ'লো। শ্ৰীযুক্ত নেল্লাইআপ্পান নামৰ ডাকৱালাজন মোক দেখা লগে লগে, তেওঁ মোক ইংগিত দি ক'লে যে তোমাৰকোনো পত্ৰ অহা নাই। তথাপি মই প্ৰভুত ভাৰসা ৰাখি, তাতে মই বহি লৈ প্ৰাৰ্থনা কৰি আছিলো।



মই আচৰিত হ'লো কিয়নো এক মিনিটৰ ভিতৰতে সেই একে ডাকৱালাই মোক ক'লে, “চাম, আপুনি এটা ৰেজিষ্টাৰ পত্ৰ পাইছে, চহী কৰি লৈ লওক।” পত্ৰখন খোলাৰ পাছত, তাত মই টি, এন, পি, এচ, চিৰ চেন্নাই অফিচৰ পৰা অহা এখন নিযুক্তি পত্ৰ পালো, য'ত মোক লেবাৰ বিভাগত যোগদান কৰিবলৈ কোৱা আছিল। অৱশ্যে এইটো মই কিছুমান বছৰৰ আগতে লিখা পৰীক্ষাৰ ফলাফল আছিল। এইটো মোৰ নিৰন্তৰ প্ৰাৰ্থনাৰ বাবে সোনকালে হৈছিল আৰু এইটো আচৰিত কৰ্মও আছিল। হয়, প্ৰাৰ্থনা এটা আচৰিত আত্মিক অস্ত্ৰ হয়। মই আনন্দৰে চেন্নাইলৈ আহিলো আৰু চাকৰিত যোগদান কৰিছিলো। মোৰ বেতনৰ অধিক অংশক



*My co-workers when I left my Government job - 1994*





**১৯৯৪ চনত মই চৰকাৰী চাকৰি এৰাৰ সময়ত ফেক্টৰীবিলাকৰ মুখ্য পৰিদৰ্শক শ্ৰীযুত এ. সেনবাগাম বি. ইৰ দ্বাৰা বিদায়ী সভা।**

মই পৰিচৰ্য্যাত খৰচ কৰিছিলো। পাছত ১৯৯৪ চনত, প্ৰভুৱে মোক তেওঁৰ পৰিচৰ্য্যা সম্পূৰ্ণ সময়ৰ বাবে কৰিবলৈ চৰকাৰী চাকৰি এৰিবলৈ আদেশ দিলে, মই তেওঁৰ আজ্ঞা পালন কৰিছিলো আৰু সম্পূৰ্ণ সময় পৰিচৰ্য্যাত যোগদান কৰিছিলো।

আমাৰ ঈশ্বৰ এজন ভাল ঈশ্বৰ হয়। তেওঁ সদায় সময়ত কাৰ্য্য কৰে। শক্তিশালীৰে তেওঁত লাগি থাকক। আপুনি কৃতকাৰ্য্য হ'ব তেওঁ আজি আপোনাক গভীৰভাৱে চাই আছে।

যাৰ মনে তোমাত নিৰ্ভৰ কৰে, তুমি তেওঁক সম্পূৰ্ণ শান্তিত ৰাখিব; কিয়নো তেওঁ তোমাত ভাৰসা কৰিছে। যিচয়া ২৬ঃ৩।

*....Contd. from page 7*

যেতিয়া এই জ্ঞানী পণ্ডিতসকলে শিশুটিক মাতৃ মৰিয়মৰ সৈতে দেখিলে, তেওঁলোকে তেওঁক মূৰ দোৱাই প্ৰণিপাত কৰিলে। **আৰু ঘৰৰ ভিতৰলৈ সোমাই গৈ, তেওঁৰ মাতৃ মৰিয়মৰ সৈতে ল'ৰাটিক দেখি, তেওঁক দণ্ডৱতে প্ৰণাম কৰিলে; আৰু নিজৰ নিজৰ বহুমূলীয়া বস্তুৰ টোপোলা মেলি সোণ, ধূনা এঁঠা আৰু গন্ধ ৰস তেওঁক উপহাৰ দিলে।** মথি ২ঃ১১।

লক্ষ্য কৰক, তেওঁলোকে মৰিয়মক প্ৰণিপাত কৰা নাছিল। তেওঁলোক যীচুকহে মূৰ দোৱাই প্ৰণাম কৰিছিল। আৰু তেওঁলোক নিয়া বস্তুৰ টোপোলা মেলি সোণ, ধূনা এঁঠা আৰু গন্ধ ৰস তেওঁক উপহাৰ দিছিল। এই উপহাৰ বিলাকৰ তিনিটা বস্তুৱে যীচু তেওঁৰ জীৱন কালত মৃত্যু আৰু পুনৰুত্থানৰ সময়ছোৱাত আমাৰ বাবে কি কি কাৰ্য্য কৰিব তাৰে চিন দেখুৱাইছে। **তেওঁলোকে সপোনত ঈশ্বৰৰ পৰা আদেশ পাই, আন বাটেদি নিজৰ নিজৰ দেশলৈ গুচি গ'ল।** যিকোনো সময়ত আপুনি যদি যীচুৰ লগত থাকে তেন্তে সেইয়ে আপোনাৰ দিশক পৰিৱৰ্তন কৰে। আপোনাৰ ব্যৱহাৰক পৰিৱৰ্তন কৰে। আপোনাৰ কাৰ্য্যৰ দিশক পৰিৱৰ্তন কৰে। ঈশ্বৰৰ দৰে কোনো ডাঙৰ লোক নাই যিজনে আমাৰ জীৱনলৈ আহি আমাক পৰিৱৰ্তন কৰিব পাৰে। যদি আপুনি ভাবে যে আপোনাৰ জীৱনত ঈশ্বৰ আছে, কিন্তু আপোনাৰ পৰিৱৰ্তন হোৱা নাই, তেন্তে জীৱনত আন কিবা আছে কিন্তু ঈশ্বৰ নাই। কিয়নো ঈশ্বৰ বহুত ডাঙৰ, আপোনাৰ দিশটো পৰিৱৰ্তন নোহোৱাকৈ তেওঁ আপোনাৰ জীৱনত আহিব নোৱাৰে।

জ্যোতিষী পণ্ডিতবিলাকৰ বাবে যীচুক চাবলৈ যোৱাত হয়তো বহুত খৰছ হৈছিল, কিন্তু যেতিয়া তেওঁলোকে যীচুক দেখিছিল। তেওঁলোকে প্ৰণাম কৰিছিল। **ইয়াত চতুৰ্থ শিক্ষা দেখিছো যদি আপুনি আশীৰ্বাদ পাব বিচাৰে, আপোনাৰ জীৱনটো আশীৰ্বাদ পাব বিচাৰে, তেন্তে আপুনি সেই জ্ঞানী লোকসকলৰ দৰে হওক আৰু যীচুলৈ আপোনাৰ সময় আৰু আপোনাৰ উপহাৰসমূহ দিয়ক।** অৱশ্যে আপোনাৰ জীৱনত আপুনি যিমানেই পাইছে সকলো তেওঁৰ যোগেদি আপুনি পাইছে। ঈশ্বৰৰ অবিহনে আপুনি একোৰেই পাব নোৱাৰে। এইটো হৈছে ঈশ্বৰে আপোনাক যি যি দিছে তাৰে অংশ ঈশ্বৰক দিয়ে আৰু তাক লয় আৰু বৃদ্ধি কৰি আপোনালৈ ঘূৰাই দিয়ে। "আপুনি নিজকে এক জীৱিত বলিদানস্বৰূপে উৎসৰ্গ কৰক, তেওঁ পৰিচৰ্য্যালৈ উৎসৰ্গ কৰক আৰু তেওঁক সন্তোষ দিয়া কাৰ্য্য কৰক।" **এতেকে, হে ভাইবিলাক, ঈশ্বৰৰ সকলো কৰুণাৰ দ্বাৰাই মই তোমালোকক এই বিনয় কৰোঁ, তোমালোকে নিজ শাৰীৰিক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গ কৰা; এয়েই তোমালোকৰ যুক্তিসঙ্গত আৰাধনা।** ৰোমীয়া ১২ঃ১। গতিকে আহক আমি আমাৰ সময়, আমাৰ জীৱন আৰু আমাৰ উপহাৰসমূহক যীচুলৈ উৎসৰ্গ কৰোহক।

**আৰু নিজ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰক আধ্যাত্মিকতাৰ সঁজুলি স্বৰূপে পাপলৈ সমৰ্পন নকৰিবা; কিন্তু নিজকে মৃতবিলাকৰ মাজৰ পৰা জীৱিত বুলি ঈশ্বৰলৈ আৰু নিজ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰক ধাৰ্মিকতাৰ সঁজুলি স্বৰূপে ঈশ্বৰলৈ সমৰ্পন কৰা।** ৰোমিয়া ৬ঃ১৩। তাতকৈ ডাঙৰ জ্ঞানৰ কাম আৰু নাই। যি বস্তুৰ মূল্য বেছি দিন নাযায় তাত নিজকে সমৰ্পন নকৰিবা। এনে বস্তুলৈ সময় দিয়ক যি চিৰস্থায়ী হয়। আপোনাৰ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰক ঈশ্বৰে উত্তম উদ্দেশ্যৰ বাবে ব্যৱহাৰ হ'বলৈ সঁজুলি স্বৰূপে ঈশ্বৰলৈ উৎসৰ্গ কৰক।

# যীচুক আপুনি কি দিবলৈ বিচাৰি আছে?

আপুনি এই সময়ছোৱাত আন মানুহবিলাকক উপহাৰ দিবলৈ সময়, চিন্তা আৰু ধন খৰছ কৰিবলৈ গৈ আছে। আমাৰ প্ৰভু যীচুক বৰদিনৰ বাবে আপুনি কি দিবলৈ গৈ আছে? ল'ৰাজনৰ জন্মদিনত যদি সকলোৱে তেওঁক ধন্যবাদ দি ইজনে-সিজনক উপহাৰ দিয়ে, তেন্তে আপুনি ভাবিবই নোৱাৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ যি উপহাৰ আপুনি এই বৰদিনত দিব, এইটো যীচুলৈ আপুনি নিজকে উৎসৰ্গ দিব পৰা হ'ব লাগিব। যি উত্তম উপহাৰ আপুনি যীচুলৈ দিব পাৰে, এইটো হৈছে তেওঁৰ বাবে আপোনাৰ সম্পূৰ্ণ প্ৰেম, আপোনাৰ ভাৰসা আৰু আপোনাৰ মনোযোগ দিয়ক। তেওঁ আনন্দেৰে আপোনাৰ যিকোনো উপহাৰ গ্ৰহণ কৰিব পাৰে।

জ্যোতিষী পণ্ডিতসকলে বৰদিনৰ উপহাৰ দিয়া পৰম্পৰাক আৰম্ভ কৰিছিল। তেওঁলোকে যীচুলৈ উপহাৰ আনিছিল। এতিয়া আমি ইজনে-সিজনক উপহাৰ দিওঁ। কিন্তু গোটেই জগতে উপহাৰ দিয়া পৰম্পৰা চলাই আছে কিয়নো ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে একমাত্ৰ পুত্ৰক দান কৰিলে যাতে যি কোনোৱে তেওঁক বিশ্বাস কৰে তেওঁ নষ্ট নহ'ব কিন্তু অনন্ত জীৱন পাব। ঈশ্বৰে প্ৰথম বৰদিন উপহাৰ দিছিল।

**এতিয়া আমি চাৰিটা বিষয় পালো যে, যোচেফে বাক্যক সহযোগ কৰিলে, মেৰৰখীয়াবিলাকে আনন্দ কৰিলে আৰু মৰিয়মে বাক্যক মনতে ৰাখি চিন্তা কৰিলে আৰু জ্যোতিষী পণ্ডিতসকলে যীচুলৈ তেওঁলোকৰ উপহাৰ দি প্ৰণাম কৰিলে।** বন্ধুসকল, সিদ্ধান্ত লওক, আপুনি কি কৰিব লাগিব আৰু আশীৰ্বাদ পাওক আৰু আনলৈ আশীৰ্বাদস্বৰূপ হওক

❖❖❖❖❖

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনীখন বিনামূল্যত পাবলৈ এটা উত্তম সুযোগ পাব

যদি আপুনি আপোনাৰ বন্ধুসকলৰ/ সম্বন্ধীয়সকলৰ ঠিকনাসমূহ আমালৈ ডাকযোগে, পত্ৰ, ই-মেইল, ৱাটছ এপ আৰু ফোনৰ যোগেদি পঠায়, তেতিয়া আমি আমাৰ মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বিনামূল্যত তেওঁলোকলৈ পঠাম।

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th DECEMBER 2022**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**